# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

Date : 31-01-2026
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***

**::::::::::::::::::::::::**

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি নাওবৈচা বিধানসভা সমষ্টিত মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ।

২। পুলিন-পুথাওসকলৰ উপাসনাৰে আজি ৰাজ্যজুৰি টাই আহোমসকলৰ পৰম্পৰাগত উৎসৱ মে-ডাম-মে-ফী পালন।

৩। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনৰ কাইলৈ লোকসভাত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন। আৰু

৪। বেংগালুৰুত অসমৰ ৪ জন যুৱকৰ ৰহস্যজনক মৃত্যু।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নাওবৈচা বিধানসভা সমষ্টিৰ ৩১ হাজাৰ ১২৪ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে খুমটাই বিধানসভা সমষ্টিতো ৩০ হাজাৰ ৯৫৭ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। নৰাগাঁও খেলপথাৰত আয়োজিত এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা নৰাগাঁও মিনি ষ্টেডিয়াম মুকলি কৰে। ১৪ বিঘা ভূমিত নিৰ্মাণ কৰা এই ষ্টেডিয়ামখনত ছুইমিং পুল, ইনড'ৰ ষ্টেডিয়াম, বেডমিণ্টন ক'ৰ্ট, শ্যুটিং, টেবুল টেনিছ কক্ষ আৰু ব্যায়ামগাৰৰ সুবিধা আছে।

০০০০০

পুলিন-পুথাওসকলৰ উপাসনা আৰু স্মৃতি তৰ্পনেৰে আজি ৰাজ্যজুৰি টাই আহোমসকলৰ পৰম্পৰাগত ধৰ্মীয় আৰু সামাজিক উৎসৱ মে-ডাম-মে-ফী পালন কৰা হয়।

গুৱাহাটী মহানগৰীৰ বিভিন্ন ঠাইতো পৰম্পৰাগত ৰীতি-নীতিৰে আজি মে-ডাম-মে-ফী উদযাপন কৰা হয়। বৃহত্তৰ গুৱাহাটী কেন্দ্ৰীয় মে-ডাম-মে-ফী উদযাপন সমিতিৰ উদ্যোগত নটবমাৰ চ্যুকাফা নগৰত দিনজোৰা কাৰ্যসূচীৰে আয়োজিত মে-ডাম-মে-ফীৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানতে স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ এটা বিশাল প্ৰতিমূৰ্তি উন্মোচন কৰে। মূৰ্তি উন্মোচন কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী ডং শৰ্মাই কয় যে ৰাজ্যৰ জনসাধাৰণে ৬০০ বছৰ পূৰ্বে স্বৰ্গদেউ চাওলুং চ্যুকাফাই নিৰ্মাণ কৰি থৈ যোৱা বৰ অসম বিচাৰে।

বাইট (চি এম)

৬০০ বছৰীয়া আহোম ৰাজত্বৰ গৌৰৱময় ঐতিহ্যৰ কথা ভাষণ প্ৰসংগত উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে চ্যুকাফা নগৰৰ বিকাশৰ বাবে ২ কোটি টকা অনুদানৰ কথা ঘোষণা কৰে।

অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈও উপস্থিত থাকি পূৰ্বপুৰুষসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানৰ অংশ হিচাপে মুকলি সভাৰ লগতে পৰম্পৰাগত বানফি পুজাৰো আয়োজন কৰা হয়। মুকলি সভাত ম্যুং খাম নামৰ এখন স্মৃতি গ্ৰন্থ উন্মোচন কৰা হয়।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত লখিমপুৰ জিলা প্ৰশাসন আৰু লখিমপুৰ টাই সাংস্কৃতিক বিকাশ আৰু গৱেষণা কেন্দ্ৰৰ সহযোগত আজি উত্তৰ লখিমপুৰৰ ত্যাগ ক্ষেত্ৰত মে-ডা-মে-ফী কেন্দ্ৰীয়ভাৱে আয়োজন কৰা হয়। এই অনুষ্ঠানত মন্ত্ৰী বিমল বৰা উপস্থিত থাকে। শিৱসাগৰ, ধেমাজী, চৰাইদেউ, গোলাঘাট, যোৰহাট, ডিব্ৰুগড় আদি জিলাসমূহতো পুলিন পুথাও সকলক সুঁৱৰি মে-ডা-মে-ফী পালন কৰা হয়।

০০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কাইলৈ লোকসভাত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব। বাজেট উত্থাপন কৰাৰ পাছত ইয়াৰ প্ৰতিলিপি ৰাজ্যসভাত দাখিল কৰা হ'ব। শ্ৰীমতী সীতাৰমনে এইবাৰকে ধৰি একেৰাহে নৱম বাৰৰ বাবে বাজেট দাখিল কৰিব। সংসদত বাজেট ভাষণ সম্পূৰ্ণ হোৱাৰ পাছত বাজেট নথি মোবাইল এপ্ আৰু ৱেবছাইটত উপলভ্য হ'ব।

বাজেট দাখিলৰ পাছত শ্ৰীমতী সীতাৰমণে দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ৩০ গৰাকী শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কৰিব।

উল্লেখযোগ্য যে বাজেট প্ৰস্তুতৰ পূৰ্বে কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে অৰ্থনীতিবিদ, শ্ৰমিক সংঘ, শিক্ষা আৰু স্বাস্থ্য , বাণিজ্য আৰু সেৱা, উদ্যোগ, বিত্ত  মূলধনী বজাৰ, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ বিশেষজ্ঞ আৰু প্ৰতিনিধিকে ধৰি বিভিন্ন অংশীদাৰসকলৰ সৈতে প্ৰাক বাজেট পৰামৰ্শ বৈঠকত মিলিত হৈছিল আৰু তেওঁলোকৰ মতামত গ্ৰহণ কৰিছিল। এইবাৰৰ কেন্দ্ৰীয় বাজেটত এই পৰামৰ্শৰ প্ৰতিফলন দেখিবলৈ পোৱা যাব।

০০০০০

বাংগালুৰুত কৰ্মসংস্থাপনৰ বাবে যোৱা অসমৰ ৪জন যুৱকৰ মৃতদেহ আজি পুৱা বন্ধ কোঠাত উদ্ধাৰ হোৱা ঘটনাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে এই ঘটনাৰ তদন্তৰ বাবে আৰক্ষীক নিৰ্দেশ দিয়াৰ লগতে বাংগালুৰুৰ আৰক্ষীৰ সৈতে যোগাযোগ কৰি পাৰ্থিব শৰীৰ কেইটা ৰাজ্যলৈ ওভতাই অনাৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে। মুখ্যমন্ত্ৰীয়ে কৰ্ণাটকৰ মুখ্যমন্ত্ৰীৰ সৈতেও বিষয়টোৰ সন্দৰ্ভত আলোচনা কৰিব বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, আজি পুৱা বাংগালুৰুৰ এটা বন্ধ কোঠাত ঢকুৱাখনাৰ উজনি বৰ্ষামুখৰ নীৰেন্দ্ৰ নাথ টাইড, ডেক্টৰ টাইড, ধনঞ্জয় টাইড আৰু লখিমপুৰৰ জয়ন্ত চিন্তেৰ মৃতদেহ উদ্ধাৰ হৈছে।

০০০০০

পৰিবহন আৰু জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী চৰণ বড়োৱে আজি তামুলপুৰ জিলা গ্ৰামোন্নয়ন প্ৰকল্প আৰু তামুলপুৰ উন্নয়ন খণ্ডৰ কাৰ্যালয় ভৱনৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে এই কাৰ্যালয় ভৱন নিৰ্মাণৰ কাম শীঘ্ৰে আৰম্ভ কৰা হ'ব। তেওঁ লগতে তামুলপুৰৰ উন্নয়ন ক্ষেত্ৰত ইতিবাচক পৰিৱেশৰ সূচনা হৈছে বুলি উল্লেখ কৰে।

**-বাইট-**

অনুষ্ঠানত অংশ লয় বিপিএফৰ জ্যেষ্ঠ নেতা তথা তামুলপুৰৰ প্ৰাক্তন বিধায়ক ইমানুৱেল মুছাহাৰিয়ে জিলাখনৰ উন্নয়নৰ বাবে পদক্ষেপ সমূহৰ সন্দৰ্ভত ব্যাখ্যা কৰে।

০০০০০

বটদ্ৰৱা আৱিৰ্ভাৱ ক্ষেত্ৰ কাইলৈৰ পৰা দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হ'ব। আজি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই জাননীযোগে এইকথা সদৰি কৰে। বটদ্ৰৱা প্ৰকল্প আৰু আৱিৰ্ভাৱ ক্ষেত্ৰ দৰ্শনাৰ্থীৰ বাবে সম্পূৰ্ণ বিনামুলীয়া হ'ব যদিও দৰ্শনাৰ্থীসকলে কেতবোৰ নিয়ম মানি চলিব লাগিব বুলি জাননীখনত কোৱা হৈছে। দৰ্শনৰ সময় পুৱা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ ধাৰ্য কৰা হৈছে। আবিৰ্ভাৱ ক্ষেত্ৰত সকলো ধৰণৰ বাহনৰ প্ৰৱেশ সম্পূৰ্ণৰূপত নিষিদ্ধ কৰা হৈছে। ধুমপান, যিকোনো ধৰণৰ মাদক দ্ৰব্য ব্যৱহাৰ, তামোল-পান, পান মছলাৰ দৰে সামগ্ৰীসমূহৰ ক্ষেত্ৰতো জাননীৰ জৰিয়তে  বাধা আৰোপ কৰা হৈছে। পৰম্পৰাগত সাজ পাৰ পৰিধান কৰা সকলক প্ৰৱেশত অগ্ৰাধিকাৰ দিয়া হ'ব

বুলিও জাননীখনত উল্লেখ কৰা হৈছে। বটদ্ৰৱা ধাম দৰ্শন কৰোতে দৰ্শনাৰ্থীসকলক এই সকলো নিয়ম শৃংখলা বৰ্তাই ৰাখিবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে।

০০০০০

অসম সাহিত্য সভাৰ দ্বাদশ বিশেষ বাৰ্ষিক পঞ্চৰত্ন অধিৱেশন আজিৰেপৰা গুৱাহাটীত অনুষ্ঠিত হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই অধিৱেশনৰ অহা ৩ ফেব্ৰুৱাৰীত সামৰণি পৰিব। আজি পুৱা মূল তোৰণ, মঞ্চ অস্থায়ী কাৰ্যালয় আৰু বিভিন্ন সমন্বয়ক্ষেত্ৰ উদ্বোধন কৰা হয়। বিয়লি ৩ বজাৰ পৰা শ্ৰী শ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীৰ পৌৰোহিত্যত অসম সাহিত্য সভাৰ ২০২৫-২৭ কাৰ্যবৰ্ষৰ চতুৰ্থ পূৰ্ণাংগ কাৰ্যনিৰ্বাহক অধিৱেশন অনুষ্ঠিত হৈছে। কাইলৈ পুৱা সভাৰ মূল পতাকা উত্তোলন কৰাৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ প্ৰতিনিধি আৰু অসম সাহিত্য সভাৰ বিষয়ববীয়াই ১১৮ খন পতাকা উত্তোলন কৰিব। দিনৰ ১১ বজাত সভাপতিক লৈ এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। ১২ বজাৰ পৰা সাহিত্য উৎসৱ কাৰ্যসূচী অনুষ্ঠিত হ'ব। কাইলৈ সভাৰ প্ৰথম মুকলি অধিৱেশন অনুষ্ঠিত হ'ব।

০০০০০

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ১১৮ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে আজি ৰাজ্যবাসীয়ে তেঁওক শ্ৰদ্ধাৰে সুঁৱৰিছে। ওৰেটো জীৱন মাটি-মানুহ তথা দেশ তথা জাতিৰ বাবে অমূল্য অৱদান আগবঢ়াই যোৱা গীতিকাৰ, সুৰকাৰ, চিত্ৰশিল্পী তথা স্বাধীনতা সংগ্ৰামী ৰাভাদেৱৰ জীৱন আদৰ্শই অসমবাসীক সদায় অনুপ্ৰাণিত কৰি আহিছে। শিল্পীগৰাকীৰ স্মৃতিত আজি তেজপুৰৰ তলগেৰেকীত থকা তেওঁৰ সমাধিস্থলত এটি বিশেষ শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জন্ম বাৰ্ষিকী উপলক্ষে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। ড০ শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে, বিষ্ণুপ্ৰসাদ ৰাভাৰ বৰ্ণিল জীৱন পৰিক্ৰমাই জনগণক সৃষ্টি আৰু সমাজ চেতনাৰ বাণী শিকাই থৈ গৈছে। ৰাজ্যৰ সমাজ-সংস্কৃতিৰ প্ৰতিটো দিশক চহকী কৰি থৈ যোৱা মহান শিল্পীগৰাকীৰ অৱদানে যুগ-যুগান্তৰলৈ প্ৰতিটো প্ৰজন্মক উদ্বুদ্ধ কৰি ৰাখিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০

আজি নিশা ৮ বাজি ২ মিনিটৰ আকাশবাণী গুৱাহাটীৰ 'দৃষ্টিপাত' অনুষ্ঠানত 'পদপথত আশ্ৰিত শিশুৰ সুৰক্ষা আৰু ভৱিষ্যত' শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত সক্ৰিয় শিশু অধিকাৰ কৰ্মী তথা সামাজিক বিশ্লেষক জিতু দত্ত আৰু শিশু সুৰক্ষাৰ বাবে কাম কৰি অহা সংস্থা কেয়াৰ ইউ-৩৬৫ৰ মুৰববী ভৃগু বৰঠাকুৰে অংশগ্ৰহণ কৰিব। অনুষ্ঠানৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টী-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি কেৰালাৰ তিৰুৱনন্তপুৰমত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ৩-১ ৰ ব্যৱধানত ইতিমধ্যে শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰা ভাৰতে আজি মূল একাদশত কেইবাগৰাকী খেলুৱৈৰ সাল-সলনিৰে সম্পৰীক্ষা কৰাৰ সম্ভাৱনা আছে। মূল একাদশত শ্ৰেয়াস আয়াৰ আৰু বৰুণ চক্ৰৱৰ্তীক স্থান দিয়া হ'ব পাৰে।

০০০০০

সমাপ্ত